৪ মে/২০০২



# অৰণ্যম বাৰ্তা

## আত্মসমৰ্পণকাৰী চোৰাং চিকাৰীৰ সংস্থানৰ ব্যৱস্থা নোহোৱাত ক্ষোভ

● 'আমাৰ অসম' অৰণ্যম সেৱা, বৰপেটাৰোড

যোৱা ১৩ এপ্ৰিলৰ দিনা বাঁহবাৰীস্থ 'গ্ৰীণ মানাহ'ৰ উদ্যোগত মায়ংপাৰা (কলনি) প্ৰাঃ বিদ্যালয়ত মানাহৰ আত্মসমৰ্পণকাৰী চোৰাং চিকাৰীসকলক লৈ মানাহ সংৰক্ষণাৰ্থে এখন গুৰুত্বপূৰ্ণ সজাগতা সভা অনুষ্ঠিত হৈ যায়। উক্ত ১৮জন চোৰাং চিকাৰীয়ে যোৱা ২০০০ চনৰ ২৯ ছেপ্টেম্বৰৰ দিনা 'মানাহ-বন্ধু' দলৰ উদ্যোগত আৰু মানাহৰ বিষয়াৰ পৃষ্ঠপোষকতাত বাঁহবাৰীৰ বন কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা সভাত অস্ত্ৰ-শস্ত্ৰসহ বিভাগৰ ওচৰত আনুষ্ঠানিকভাৱে আত্মসমৰ্পণ কৰিছিল। সেই সভাখনত মানাহৰ ক্ষেত্ৰ সঞ্চালকসহ বন বিষয়াসকল, মুখ্য বন সংৰক্ষক সোণাৰাম দলে আৰু এই অঞ্চলৰ বিশিষ্ট ব্যক্তি প্ৰমুখ্যে ৰাইজ, 'মানাহ-বন্ধু'ৰ সকলো কৰ্মী উপস্থিত আছিল। কিন্তু আঢ়ৈ বছৰ পাৰ হোৱাৰ পিছতো উক্ত আত্মসমৰ্পণ অনুষ্ঠানত বন বিভাগে দিয়া প্ৰতিশ্ৰুতিসমূহ পূৰণ নকৰাত প্ৰাক্তন চিকাৰীসকলে বৰ্তমান 'গ্ৰীণ মানাহ' (মানাহ-বন্ধু আগৰ) কৰ্মীসকলৰ ওপৰতেই ক্ষোভিত হৈ পৰিছে। সেয়েহে উক্ত সভাত বিষয়সমূহ বিতং আলোচনা কৰা হয় আৰু সভাত মানাহ সংৰক্ষণত সৰ্বাধিক গুৰুত্ব আৰোপ কৰা হয়। মানাহৰ আত্মসমৰ্পণকাৰী চিকাৰীৰ বিষয়টো চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰাৰ বাবে 'গ্ৰীণ মানাহ'ৰ তৰফৰ পৰা চেষ্টা চলাই থকাৰ পিছতো এইক্ষেত্ৰত ইতিবাচক সঁহাৰি লাভ কৰিব নোৱৰাটো দুৰ্ভাগ্যজনক।

যোৱা ১৩ এপ্ৰিলৰ সভাখনত 'গ্ৰীণ মানাহ'ৰ সচিবপ্ৰধান নিৰঞ্জন বৰ্মনৰ লগতে উপদেষ্টা চিৰুণ বসুমতাৰী, সদস্য ক্ৰমে ধনজিৎ দাস, চবিন বসুমতাৰী, বাবু মছাহাৰী, ফণীন্দ্ৰ বসুমতাৰী আৰু টিকেন্দ্ৰজিৎ দাসে অংশগ্ৰহণ কৰে।

উক্ত সভাতে আত্মসমৰ্পণকাৰীসকলক লৈ এখন সমিতি গঠন কৰিবলৈ সভাই সিদ্ধান্ত গ্ৰহণ কৰে। আনহাতে, আত্মসমৰ্পণকাৰী চিকাৰীসকলৰ বন্যপ্ৰাণী বিভাগত থকা গোচৰসমূহ তৎকালীনভাৱে মীমাংসা কৰি আত্মসংস্থাপনমূলক সাহায্য দিয়াৰ বাবেও সভাই চৰকাৰক দাবী জনায়।

ইফালে যোৱা ১৪ এপ্ৰিলৰ দিনা মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ মথনগুৰিত বাঁহবাৰী বনাঞ্চলিক বিষয়া গংগাধৰ বসুমতাৰীৰ লগত মানাহ সংৰক্ষণাৰ্থে বিশেষ আলোচনা অনুষ্ঠিত হয়। উক্ত আলোচনাত গ্ৰীণ মানাহৰ মুখ্য উপদেষ্টা ধৰণীধৰ ঔৱাৰী, সভাপতি ধনেশ্বৰ স্বৰ্গীয়াৰী আৰু সচিবপ্ৰধান নিৰঞ্জন বৰ্মনৰ লগতে প্ৰায় আটাইকেইজন কাৰ্যকৰী সদস্যই অংশগ্ৰহণ কৰে। উক্ত সভাত দাঁতি-কাষৰীয়া গাঁৱৰ আৰ্থ-সামাজিক উন্নয়ন, গাভৰুখুন্দাৰ ওচৰৰ গৰাখহনীয়া আৰু মানাহ সংৰক্ষণৰ বিষয়ে বিভিন্ন দিশৰ ওপৰত বিতং আলোচনাৰ অন্তত সমন্বয় ৰক্ষা কৰি সংৰক্ষণৰ কাম কৰাৰ সিদ্ধান্ত লোৱা হয়।

## সহস্ৰাধিক চুঙা-বাদুলিৰ বাসস্থানত পৰিণত কলাবাৰীৰ বাসুদেৱ দ'ল

● কুমুদ চন্দ্ৰ শইকীয়া, 'আমাৰ অসম' অৰণ্যম সেৱা, পশ্চিম হাবাজান

শোণিতপুৰ জিলাৰ গহপুৰ মহকুমাৰ কলাবাৰী বৰাচুকখাত গাঁৱস্থিত অসম চৰকাৰৰ পুৰাতত্ত্ব বিভাগৰ বাসুদেৱ দ'লটোৰ ভিতৰচ'ৰা এতিয়া কেবাসহস্ৰাধিক চুঙা বাদুলিৰ বসতিস্থললৈ ৰূপান্তৰিত হৈছে। দক্ষিণপাট কলাবাৰী আদি সত্ৰৰ সমীপত থকা এই আহোম ৰজাদিনীয়া দ'লটোত যোৱা বহু বছৰ ধৰি শত-সহস্ৰ চুঙা বাদুলিয়ে আশ্ৰয় গ্ৰহণ কৰি আছে। পূৰ্বতে এই দ'লটো প্ৰায় দুশ ফুটমান উচ্চতাৰ আছিল যদিও ১৯৫০ চনৰ বৰভুঁইকঁপৰ জোকাৰণিৰ পিছৰ পৰা এই দ'লটো ক্ৰমান্বয়ে তললৈ বহি গৈ সম্প্ৰতি তলৰ খণ্ডিত হৈছেগৈ। অনুমান মতে, এই দ'লটো প্ৰায় ২০ ফুটতকৈও অধিক তললৈ বহি গৈছে।